
# গ্রেট এক্সপেক্টেছ্‌নছ জীৱনৰ এটা আধৰুৱা ৰূপকথা

**বস্তু** সৰ্বস্ব জীৱনত দৰিদ্ৰতা এটা অভিশাপ। ই ব্যক্তিক স্বয়ং নিজৰ দৃষ্টিত হীন কৰি তোলে। সেই হীনমন্যতাৰ ভাবে ব্যক্তিক ভিতৰি ভিতৰি আত্মবিশ্বাসহীন কৰি তোলে। সেই আত্মবিশ্বাসহীনতাই ব্যক্তিক মানসিকভাৱেৰ অকামিলা কৰি তোলে। তেতিয়া ব্যক্তিয়ে বিচাৰে মানসিক নিৰাপত্তা। ডিকেঞ্চচৰ 'গ্ৰেট এক্সপেক্টেছনছ' উপন্যাসত জো গাৰগৌৰ (Joe Gargery)ৰ বাবে তেওঁৰ কণমানি খুলশালিয়েক পিপ (ফিলিপ) তেনে এক নিৰাপত্তা আৰু আশ্ৰয়ৰ স্থল আছিল। বয়সৰ ব্যাপক ব্যৱধান থকা সত্ত্বেও এই দুজন পুৰুষে পৰস্পৰৰ দুখ-হতাশা আৰু 'অসহায়' অৱস্থাৰ কথা বাৰুকৈয়েই উপলব্ধি কৰিছিল। পিপ আৰু তেওঁৰ বায়েক তথা পিপৰ পালিতা মাতৃস্বৰূপ মিচেচ জো গাৰগেৰি এগৰাকী কঠোৰমনা অনুকম্পাহীন নাৰী আছিল। তেওঁৰ ৰুদ্ৰ ৰূপৰ কথা কল্পনা কৰি জো আৰু কণমানি পিপে প্ৰায়েই সন্ত্ৰস্ত ভাব লৈ সময় পাৰ কৰিছিল। জো বৃত্তিত কমাৰ আছিল। অভাৱৰ মাজতো জো নামৰ ব্যক্তি সত্তাটোৱে সন্তুষ্টিৰে জীৱন পাৰ কৰিবলৈ প্ৰয়াস কৰিছিল। অনাথ পিপে পৃথিৱীখনক পোৱা দিনৰ পৰাই তাতকৈ ২০ বছৰে জ্যেষ্ঠ বায়েকৰ কঠোৰ শাসন আৰু মাৰ-কিল খায়েই ডাঙৰ হৈছিল। সৰু সৰু দায়-জগৰতে বায়েকে কণমানি ল'ৰাটোক নিৰ্মমভাৱে পিটিবলৈ কুণ্ঠাবোধ কৰা নাছিল। ভিনিহিয়েক জোৱে ঘৈণীয়েকক বাধা দিব নোৱাৰিলেও পিপক তেনে বিপদৰ আগজাননী দিছিল অথবা পিপক কৌশলেৰে আত্মৰক্ষাৰ সুযোগ দিছিল। পিপৰ জীৱনটো তেতিয়ালৈকে এটা বৈচিত্ৰ্যহীন জীৱন আছিল। সিহঁতৰ গাঁওখনৰ নিৰ্জন প্ৰান্তত অৱস্থিত গিৰ্জাটোৰ কাষৰ জলাহ ভূমিত ঘটনাক্ৰমে পিপে লগ পোৱা পলাতক অপৰাধী মেগৱিচৰ লগত সংযোগ ঘটাৰ পাছতহে পিপৰ জীৱনলৈ পৰিৱৰ্তনৰ বা বলিবলৈ আৰম্ভ কৰিছিল।

ঔপন্যাসিকে ইয়াত যিখন সমাজৰ চিত্ৰণ কৰিছে তাত দুখীয়াৰ কোনো মান-অভিমানৰ স্থান নাই। সিবিলাক সিবিলাকতকৈ ধনে-মানে


## সাহিত্যৰ ৰূপৰেখা

ড° নিভাৰাণী ফুকন



শক্তিশালীসকলৰ শৰণাৰ্থী আৰু কৃপাপ্ৰাৰ্থী। জোৰ দদায়েক মিঃ পাম্বলচোক (Mr. Pumblechook)ৰ নিচিনা অৱস্থাপন্ন মানুহবোৰেও নিজকে জো আৰু পিপহঁতৰ নিচিনা দুৰ্বল, অসহায়বোৰৰ ত্ৰাণকৰ্তা বুলি অহংকাৰত মত্ত হয়। সেইবাবে পিপক অভিজাত ৰহস্যময়ী বৃদ্ধা মিছ হেভিস্বেম (Miss Havisham)ৰ ঘৰত নিযুক্ত কৰি উঠি মিঃ পাম্বলচোকে ...... দম্ভ আৰু গৌৰৱেৰে ঘোষণা কৰিছিল যে তেৱেঁই পিপৰ ত্ৰাণকৰ্তা আৰু ভৱিষ্যৎ গঢ়োতা। ৰহস্যময় নাৰী মিছ হেভিশ্বেমৰ লগত হোৱা সাক্ষাতো পিপৰ জীৱনৰ এক বহুমূলীয়া অভিজ্ঞতা। মিছ হেভিশ্বেমৰ দৰে তেওঁৰ পালিতা কন্যা এষ্টেলাও ৰহস্যময় চৰিত্ৰৰ আছিল। এষ্টেলাই পিপক অহৰহ অৱজ্ঞা আৰু ইতিকিঙৰ মনোভাবেৰে চাইছিল। তাৰ বিপৰীতে পিপৰ মনত দাম্ভিক প্ৰকৃতিৰ এষ্টেলাৰ প্ৰতি প্ৰেম ভাব জাগ্ৰত হৈছিল।

কমাৰৰ ঘৰৰ ল'ৰাৰ কমাৰশালেই গতি। পিপৰ ক্ষেত্ৰতো সেয়াই হ'ব লাগিছিল। প্ৰথম অৱস্থাত পিপৰ বাবেও জোৰ কমাৰশালখন পৰম আগ্ৰহৰ ঠাই আছিল। পিছে মিছ হেভিশ্বেমে পিপক তেওঁৰ কামৰ পৰা আনুষ্ঠানিকভাৱে মুক্ত কৰি তাৰ ভৱিষ্যৎ নিয়োগকৰ্তা জো গাৰগেৰিক গতালে যাতে পিপ তেওঁৰ তলত শিক্ষা নবিচ ৰূপে কাম কৰিব পাৰে। কিন্তু তেতিয়ালৈকে পৃথিৱীখনৰ বিচিত্ৰ ৰূপ দৰ্শন কৰিবলৈ আৰম্ভ কৰা পিপৰ মনত এইটো ধাৰণা জন্মিলে যে তাৰ জীৱনটো কমাৰশালত লো পিটি




জীৱনটো তিল-তিলকৈ ক্ষয় কৰাৰ বাবে নহয়। তাৰ জীৱনটো অন্য কিবা বিশেষ উদ্দেশ্যতহে সমৰ্পণৰ যোগ্য। লাহে লাহে জোৰ লগত কমাৰশালত কাম কৰিবলৈ থকা তাই পূৰ্বৰ উৎসাহ নোহোৱা হ'ল। এটা বৈচিত্ৰ্যহীন জীৱনৰ পৌনঃপৌনিকতাই পিপক আমুৱাইছিল। ইতিমধ্যে সি কৈশোৰৰ পৰা ক্ৰমশঃ যুৱাৱস্থালৈ গতি কৰিছিল। তাৰ চিন্তাৰ জগতত নতুন আশা-আকাংক্ষাই গজালি মেলিবলৈ আৰম্ভ কৰিলে। সি কমাৰশালৰ কাম এৰি ভাগ্যৰ অন্বেষণত গাঁৱৰ আবদ্ধ জীৱনৰ পৰা মুকলি হ'ব বিচাৰিছিল। সি ভদ্ৰলোক হোৱাৰ প্ৰত্যাশা পোষণ কৰিবলৈ আৰম্ভ কৰিলে। মনত দকৈ বাহ লোৱা উচ্চাকাংক্ষাৰ বাবেই হওঁক অথবা অন্য কিবা কাৰণতেই হওক ভদ্ৰলোক হোৱাৰ বাসনা ক্ৰমশঃ তীব্ৰ হ'বলৈ ধৰিলে। তেনে সময়তে ভাগ্য দেৱীয়েও পিপলৈ মূৰ তুলি চালে। তাৰ বাবে আকস্মিক সৌভাগ্যৰ বতৰা কঢ়িয়াই অনা মানুহজন আন কোনো নাছিল, তেওঁ আছিল মিচ্ হেভিশ্বেমৰ উকিল মিঃ জেগাৰছ (Mr. Jaggers)। অপৰাধ শাখাৰ এই গৰাকী দুৰ্দান্ত উকিলে পিপলৈ এই বতৰা কঢ়িয়াই আনিলে যে বিশেষ বিত্তশালী ভদ্ৰলোক এগৰাকীয়ে পিপক তেওঁৰ অস্থাৱৰ সম্পত্তিৰ উত্তাৰাধিকাৰী মনোনীত কৰিছে। সেই ব্যক্তিগৰাকীৰ উকীলৰূপে মিঃ জেগাৰছেই পিপৰ তত্ত্বাৱধান ল'ব আৰু পিপ প্ৰাপ্তবয়স্ক নোহোৱালৈকে সময়ে সময়ে পিপক বিত্ত ভাট্টা দি থকা হ'ব। গতিকে পিপ এগৰাকী প্ৰতিশ্ৰুতিসম্পন্ন ভদ্ৰলোক হ'ব লাগিব আৰু তাৰ বাবে তেওঁৰ প্ৰয়োজন হ'ব কিছুমান ব্যৱহাৰিক অভ্যাস, প্ৰশিক্ষণ আৰু অনুশীলনৰ। তেওঁ হেভিশ্বেমৰ সম্পৰ্কীয় ভায়েক মিঃ পকেটৰ ঘৰত আলহী তথা মিঃ পকেটৰ শিক্ষাৰ্থী ৰূপ অৱস্থান কৰিবলৈ গ'ল। মিঃ পকেটৰ পুত্ৰ হাৰ্বাৰ্টৰ পৰা পিপে অভিজাত ভদ্ৰ সমাজৰ আচাৰ-নীতি শিকিলে যদিও তাৰ মানসিক দৈন্যৰ অন্ত নপৰিল। এখন অন্তহীন অকোৱা-পকোৱা জালে যেন তাক ক্ৰমশঃ মেৰিয়াই যাবলৈ ধৰিলে। জালখনৰ পৰা মুক্ত হৈ আছিল তাৰ শুভাকাংক্ষীজন আৰু বিডি। ভদ্ৰলোক হোৱাৰ উচ্চাকাংক্ষী লৈ নতুন জীৱনচৰ্যা গ্ৰহণ কৰা পিপ ওৰফে হেণ্ডেলে তাৰ সেই আত্মীয় শুভাকাংক্ষী কেইজনৰ কথা পাহৰি গৈছিল। সেই সময়ৰ ভদ্ৰ সমাজৰ যুৱকসকলে অনুশীলন কৰা ভালেমান খৰচী অভ্যাস হাৰ্বাৰ্ট আৰু পিপে (হেণ্ডেলে) আয়ত্ত কৰিছিল। ফলত দুয়ো বহুতৰে ওচৰত ধৰুৱা হৈছিল। পিপে তেওঁৰ বন্ধু হাৰ্বাৰ্টৰ সংস্থাপনৰ বাবে যত্নপৰ হৈছিল। তেওঁ নিজেই তথা আগভাগ লৈ হাৰ্বাৰ্টৰ ভৱিষ্যৎ কৰ্ম সংস্থাপন সুনিশ্চিত কৰিছিল। তাত পিপক সহায় কৰিছিল মিঃ জেগাৰছৰ কৰ্মচাৰী ৱেমিকে।

ঔপন্যাসিকে পিপৰ জীৱন পৰিক্ৰমাত কিছু নাটকীয়তা আনিছে। তাৰ জীৱনৰ বাস্তৱ উপলব্ধিয়ে মহৎ প্ৰত্যাশাৰ স্বৰূপ কি তাক সেই জ্ঞান প্ৰদান কৰিলে। তাৰ মনত এইটো প্ৰায় বদ্ধমূল ধাৰণা আছিল যে মিছ হেভিশ্বেমেই তাক তেওঁৰ অস্থাৱৰ সম্পত্তিৰ গৰাকী কৰিছে। কিন্তু তাৰ সেই স্বপ্ন ভংগ হ'ল যেতিয়া সি গম পালে যে তাক সেই ডাঙৰ উপকাৰ (অনুগ্ৰহ) কৰা ব্যক্তিজন আন কোনো নহয়, বৰঞ্চ সেই পলাতক অপৰাধী যাক সি শিশু অৱস্থাতে খাদ্যদ্ৰব্য আৰু ৰেতি এডাল দি সহায় কৰিছিল! সেই সত্য উন্মোচিত হোৱাত সি অন্তৰ্দ্বন্দ্বত ভুগিবলৈ আৰম্ভ কৰিলে। দৰাচলতে সেই অপৰাধী ব্যক্তিক দেশান্তৰিত কৰা হৈছিল। সি আমেৰিকালৈ গৈ নিজৰ অধ্যৱসায়ৰ গুণত আঢ্যৱন্ত লোক হ'ল। কিন্তু ধন-সম্পত্তিয়েও তাক ভদ্ৰলোক ৰূপে চিহ্নিত নকৰিলে কাৰণ তাৰ অতীত ইতিহাস অপৰাধ জগতৰ লগত জড়িত আছিল। সেয়েহে সি মানসিক সন্তুষ্টিৰ বাবেই হওক অথবা অন্যৰ হীন দৃষ্টিৰ পৰা নিজকে মুক্ত কৰিবলৈকে হওক, ভদ্ৰ অথচ দুখীয়া ঘৰৰ পিপক নিজ আৰ্জিত সম্পদৰ উত্তৰাধিকাৰী কৰি এটি ল'ৰাক এজন ভদ্ৰলোক ৰূপে গঢ়ি তোলাৰ প্ৰতিজ্ঞা কৰিছিল। পিপৰ মনত বাহৰ পাতি লোৱা অন্তৰ্দ্বন্দ্বই এই উপন্যাসৰ কাহিনীভাগক এটা বিশেষ আয়তন প্ৰদান কৰিছে। পিপে নিজৰ তুচ্ছ কমাৰ বংশৰ পৰিচয়টো সোলোকাই নগৰীয়া অভিজাত সমাজৰ এজন ভদ্ৰলোক ৰূপে নিজৰ হীনাত্মিক মনোভাবৰ পৰা মুক্ত হ'বলৈ প্ৰয়াস কৰিছিল। সেই পৰিকল্পনা বা পদক্ষেপত সি বহু দূৰ আগবাঢ়ি গৈছিল। কিন্তু তাৰ পালক পিতৃ স্বৰূপ মেগৱিচ বা প্ৰভিকে সকলো প্ৰত্যাহ্বান আওকাণ কৰি নিজৰ পোষ্যপুত্ৰ পিপক চাবলৈ লণ্ডনলৈ আহিছিল। কিন্তু সেই সিদ্ধান্তৰ ফলাফল বিষম হৈছিল। (অহা সংখ্যাত এই বিশেষ প্ৰসংগটোৰ মোখনি মাৰিম)

neevarani11@gmail.com